بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ    نَحۡمَدُهٗ وَنُصَلِّيۡ عَلٰى رَسُوۡلِهِ الۡكَرِيۡمِ    وَعَلٰى عَبۡدِهِ الۡمَسِيۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ২৫ জানুৱাৰীত মছজিদ বায়তুল ফুতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে যি সকল বদৰি চাহাবাৰ বিষয়ে উল্লেখ কৰিম, তাৰে প্ৰথম জন চাহাবী হ'ল হজৰত তফিল বিন হাৰছা (ৰাঃ)। হজৰত তফিল বনি হাৰছা নিজৰ ভাই হজৰত উবেদা আৰু হুছেইনক লগত লৈ বদৰৰ যুদ্ধত যোগদান কৰিছিল। এনেদৰে তেখেত (ৰাঃ) য়ে একেধাৰে অহুদৰ যুদ্ধ,খন্দকৰ যুদ্ধ, আদি কৰি সকলো যুদ্ধতেই ৰছুলে কৰিম (ছাঃ) ৰ লগত যোগ দিবলৈ তৌফিক লাভ কৰিছিল। চন বত্ৰিছ হিজৰিত ৯০ বছৰ বসয়ত তেখেত (ৰাঃ) য়ে পৰলোক গমন কৰিছিল।

দ্বিতীয় জন চাহাবীৰ নাম হ'ল হজৰত ছলিম বিন ওমৰ আনছাৰী (ৰাঃ)। তেখেত (ৰাঃ) য়ে উকবাত ৭০ জন ব্যক্তিৰ লগতে বয়াত হৈছিল আৰু বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। অহুদৰ যুদ্ধত তেখেত (ৰাঃ) য়ে শ্বাহাদত লাভৰ সৌভাগ্য লভিছিল। ইয়াৰ পিছত যিজন চাহাবীৰ কথা উল্লেখ কৰিম তেখেতৰ নাম হজৰত ছালিম বিন হাৰছা আনছাৰী (ৰাঃ)। এখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। অহুদৰ যুদ্ধত অংশলৈ শ্বাহাদতৰ মৰ্যদা লাভ কৰিছিল।

আন এজন চাহাবী আছিল হজৰত ছালিম বিন মিলহান আনছাৰী (ৰাঃ)। এখেত (ৰাঃ) ৰ মাকৰ নাম আছিল মালেকা বিনতে মালিক। এখেত (ৰাঃ) হজৰত আনিছ বিন মালিকৰ মামা আছিল। হজৰত উম্মে হৰাম আৰু হজৰত উম্মে ছালিমাৰ ভাই আছিল এখেত (ৰাঃ)। হজৰত উম্মে হৰাম হজৰত আবাদা বিন ছামতৰ পত্নী আছিল আনহাতে হজৰত উম্মে ছালিমা হজৰত আবু তালহা আনছাৰী (ৰাঃ) ৰ পত্নী আছিল। এখেতৰ চাহাবজাদা (ল'ৰা) হজৰত আনিছ বিন মালিক ৰছুলুল্লাহ (ছাঃ) ৰ খাদিম আছিল। তেখেত (ৰাঃ) য়ে বদৰ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল। এই যুদ্ধত তেখেতৰ ভাই হজৰত হাৰাম বিন মিলহানও লগত আছিল। এখেত দুয়োজনেই বীৰে মাওনাৰ ঘটনাত শ্বহীদ হৈ গৈছিল। সেই দিনা শত্ৰু সৈন্য আছিল বহুত বেছি, তুমুল ৰণ হৈছিল আৰু ৰছুলে কৰিম (ছাঃ) ৰ চাহাবা সকলক শ্বহীদ কৰি দিয়া হৈছিল। শত্ৰু সকলে যেতিয়া হজৰত ছালিম বিন মিলহান আৰু হাকাম বিন কিছানক আগুৰি ধৰিছিল তেতিয়া এওঁলোকে কৈছিল যে হে আল্লাহ তোমাৰ বিহনে আমালোকৰ আজি এনে কোনোৱে নাই যে যিয়ে আমাৰ ছালাম তোমাৰ ৰছুলক জনাব। গতিকে তুমিয়েই আমাৰ ছালাম জনাবা। যেতিয়া জিব্ৰাইল (আঃ) য়ে এওঁলোকৰ খবৰ ৰছুলুল্লাহ (ছাঃ) ক জনাইছিল তেতিয়া তেখেত (ছাঃ) য়ে কৈছিল ''ওয়া আলায়হিমুচ্ছালাম''। তেওঁলোকৰ ওপৰত শান্তি বৰ্ষিত হওঁক। মনজৰ বিন ওমৰু এওঁলোকক কৈছিল যে যদি তোমালোকে বিচৰা তেন্তে আমি তোমালোকক নিৰাপত্তা দিম। কিন্তু তেওঁলোকে সেয়া অস্বীকাৰ কৰিছিল। এই লোক সকলে হজৰত হৰামৰ শ্বাহাদতৰ উদ্দেশ্য আহিছিল আৰু তেখেত সকলৰ সৈতে যুজঁ দিছিল আৰু এখেত সকলক শ্বহীদ কৰি দিছিল। ৰছুলুল্লাহ (ছাঃ) য়ে কৈছে যে তেওঁলোকে আগবাঢ়ি গৈছিল যাতে মৰিব পাৰে অৰ্থাৎ মৃত্যু মুখলৈ আগবাঢ়ি গৈছিল। মুঠতে তেওঁলোকে সেয়া জানিছিল। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এখেত সকলে বৰ সাহসেৰে শত্ৰু সকলৰ মোকাবিলা কৰিছিল। যদিও যুদ্ধ সামগ্ৰী পৰিপূৰ্ণ নাছিল, আৰু এখেত সকলে যুদ্ধ কৰাৰ আশা লৈ যোৱাও নাছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এতিয়া হজৰত ছালিম বিন কায়েছ আনছাৰী (ৰাঃ) ৰ বিষয়ে উল্লেখ কৰিম। হজৰত খওলা বিনতে কায়েছৰ ভায়েক আছিল এখেত, যিজনী হজৰত হামজা (ৰাঃ) ৰ পত্নী আছিল। তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ অহুদ আৰু খন্দকৰ যুদ্ধ আদি কৰি সকলো ৰণ ক্ষেত্ৰতেই ৰছুলে কৰিম (ছাঃ) ৰ লগত যোগ দিছিল। হজৰত উচমান (ৰাঃ) ৰ খিলাফত কালত হজৰত ছালিম বিন কায়েছৰ মৃত্যু হৈছিল।

ইয়াৰ পিছত আন এজন চাহাবী আছিল হজৰত ছাবিত বিন ছাআলবা (ৰাঃ) । হজৰত ছাবিত (ৰাঃ) য়ে সত্তৰ জন আনছাৰী চাহাবীৰ সৈতে বয়াতে উকবা ছানিয়াত যোগদান কৰিছিল। বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ, খন্দকৰ যুদ্ধ, সন্ধি হুদায়বিয়া, খয়বৰৰ যুদ্ধ আৰু মক্কা বিজয় আৰু তায়েফৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। তেখেত (ৰাঃ) য়ে তায়েফৰ যুদ্ধত শ্বহীদ হৈছিল। আন এজন চাহাবী আছিল হজৰত ছমাক বিন ছঈদ (ৰাঃ)। বদৰৰ যুদ্ধত নিজৰ সহোদৰ ভাই হজৰত বশ্বিৰৰ সৈতে আহি যোগদান কৰিছিল। অহুদৰ যুদ্ধতও এখেত (ৰাঃ) য়ে যোগ দিছিল। কবিলা খজৰজৰ সৈতে এখেতৰ সম্পৰ্ক আছিল।

আকৌ আন এজন চাহাবী আছিল জাবিৰ বিন আব্দুল্লাহ বিন ৰিয়াব (ৰাঃ)। হজৰত জাবিৰ (ৰাঃ) ক সেই ছয়জন আনছাৰীৰ মাজৰ এজন বুলি গণ্য কৰা হয়, যি সকলে প্ৰথমে মক্কাত আহি ইছলাম গ্ৰহন কৰিছিল। হজৰত জাবিৰ (ৰাঃ) যুদ্ধ বদৰ অহুদ খন্দক আদি কৰি সকলো যুদ্ধতেই আঁহজৰত (ছাঃ) ৰ লগত যোগদান কৰিছিল। বয়াতে উকবা প্ৰথমৰ আগতে আনছাৰৰ মাজৰ কিছুমান লোকে আহি ৰছুলুল্লাহ (ছাঃ) ক মক্কাত লগ ধৰিছিল, এওঁলোকৰ সংখ্যা আছিল ছয় জন। সেই আছহাব ছয়জন আছিল ক্ৰমে আছাআদ বিন জাৰাৰা, অউফ বিন হাৰছা, ৰফিয়া বিন মালিক বিন আজলান, কুতবা বিন আমৰ বিন হাদিদাহ আৰু উকবা বিন আমৰ বিন নাবি, আৰু জাবিৰ বিন আব্দুল্লাহ বিন ৰিয়াব (ৰাঃ)। এওঁলোকে মুছলমান হৈ গৈছিল। আঁহজৰত (ছাঃ) ৰ পৰা বিদায় লোৱাৰ সময়ত এওঁলোকে আবেদন কৰিছিল যে আমাক খানা জঙ্গি সকলে বৰ দুৰ্বল কৰি পেলাইছে। আমাৰ দুয়োৰে মাজত অতিকে দন্ধ চলি আছে। আমি ইয়াছৰিবত গৈ আমাৰ ভাই সকলক ইছলামৰ তবলিগ কৰিম আৰু ইয়াত কোনো সন্দেহ নাই যে আল্লাহ তায়লা আপোনাৰ বাৰ্তাৰ জৰিয়তে আৰু আমাৰ তবলিগৰ যোগেদি আমাক আকৌ একগোট কৰিব। যেতিয়া আকৌ আমি একগোট হম তেতিয়া আমি আপোনাক সকলো ফালেৰে সহায় কৰিবলৈ সাজু হম।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত মনজৰ বিন ওমৰু বিন খানিছ নামৰ এজন চাহাবী আছিল। তেখেত (ৰাঃ) ৰ উপাধি আছিল ‘‘মাআনাকুল মাওউত’’ অৰ্থাৎ আগুৱাই গৈ মৃত্যুক সাৱটি লওঁতা। খজৰজ কবিলাৰ বণু ছাআদৰ এখেত বংশধৰ আছিল। এখেত (ৰাঃ) য়ে বয়াতে উকবাত অংশ গ্ৰহন কৰিছিল। আঁহজৰত (ছাঃ) য়ে হজৰত মনজৰ বিন ওমৰু আৰু হজৰত ছঈদ বিন আবাদাক তেওঁলোকৰে কবিলা বণু ছাআদৰ নেতা নিযুক্ত কৰিছিল। অৰ্থাৎ পৰিচালক নিযুক্ত কৰিছিল। সেই মুৰ্খৰ যুগতও হজৰত মনজৰ (ৰাঃ) লিখা পঢ়া জানিছিল। হজৰত মনজৰ বদৰৰ যুদ্ধ অহুদৰ যুদ্ধত যোগদান কৰিছিল। তেখেত সাধু প্ৰকৃতিৰ লোক আছিল। বীৰে মাওনাৰ ঘটনাত এখেত (ৰাঃ) য়ে শ্বহীদ হৈছিল।

ইতিহাসত উল্লেখ আছে যে যেতিয়া জিব্ৰাইল (আঃ) য়ে বীৰে মাওনাৰ শ্বহীদ সকলৰ বিষয়ে খবৰ দিছিল তেতিয়া আঁহজৰত (ছাঃ) য়ে মনজৰ বিন ওমৰুৰ বিষয়ে কৈছিল ‘‘আনাকু লিলমাওতা’’ হজৰত মনজৰ বিন ওমৰুয়ে এয়া জানিছিল যে এতিয়া শ্বহীদ হোৱাটো অনিবাৰ্য্য তথাপি নিজৰ লগৰীয়া সকলৰ দৰেই সেই ঠাইতে যুঁজি যুঁজি শ্বহীদ হৈ গৈছিল। হজৰত মনজৰ বিন ওমৰুক শত্ৰু সকলে কৈছিল যে যদি তুমি বিচৰা তেন্তে আমি তোমাক নিৰাপত্তা দিম। কিন্তু হজৰত মনজৰ তেওঁলোকৰ আশ্ৰয়ত নিৰাপদ হোৱা উপেক্ষা কৰিছিল। আকৌ হজৰত মুৱাবিদা বিন আবাদা নামৰ এজন চাহাবী আছিল, যাৰ উপাধি (কুনিয়াত) আছিল আবু হমিজা। তেখেতৰ দেউতাকৰ নাম আছিল ইবাদ বিন কশিৰ। কবিলা খজৰজৰ এটা শাখা বণু ছালম বিন গনীম বিন আউফৰ সৈতে এখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। মুৱাবিদা (ৰাঃ) বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল।

আন এজন চাহাবী আছিল হজৰত আবি বিন আবি জগবা আনছাৰী (ৰাঃ)। তেখেতৰ দেউতাকৰ নাম আছিল ছুনান বিন ছবিহ। হজৰত ওমৰ (ৰাঃ) ৰ খিলাফত কালত এখেতৰ মৃত্যু হৈছিল। আনছাৰৰ কবিলা জহিনাৰ সৈতে তেখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। যুদ্ধ বদৰ, অহুদ, খন্দক, আদি কৰি সকলো যুদ্ধতেই এখেত (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ৰ লগত যোগ দিছিল। ৰছুলুল্লাহ (ছাঃ) য়ে তেখেতক বদৰৰ যুদ্ধৰ সময়ত হজৰত বছাবছ বিন ওমৰৰ লগত আবু ছফিয়ানৰ দলৰ বিষয়ে অনুসন্ধান কৰি সম্ভেদ লবলৈ পঠাইছিল।

ইয়াৰ পিছত এজন চাহাবী হ’ল হজৰত ৰবিআ বিন আয়াছ (ৰাঃ)। আনছাৰ কবিলা খজৰজৰ এটা শাখা বণু লুজানৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। বদৰৰ যুদ্ধত নিজৰ ভাই ওৱাৰকা বিন আয়াছ আৰু ওমৰ বিন আয়াছৰ সৈতে

যোগ দিছিল। তেখেত (ৰাঃ) য়ে অহুদৰ যুদ্ধতও অংশ গ্ৰহন কৰিছিল। হজৰত উমিৰ বিন আমৰ আনছাৰী নামৰ এজন চাহাবী আছিল। আবু দাউদ তেখেতৰ কুনিয়াত (উপাধি) আছিল। তেখেতৰ দেউতাকৰ নাম আছিল আমৰ বিন মালিক। যুদ্ধ বদৰ আৰু অহুদৰ যুদ্ধত এখেত (ৰাঃ) য়ে ৰছুলুল্লাহ (ছাঃ) ৰ লগত যোগ দিছিল।

আন এজন চাহাবী আছিল হজৰত ছঈদ বিন খওলা। বণু কালব গোত্ৰৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। তেখেত (ৰাঃ) হজৰত হাতিব বিন আবি বুলতা এখেত (ৰাঃ) ৰ সৈতে বৰ কোমল আৰু দয়া প্ৰৱণ আচৰণ দেখুৱাইছিল। এখেত (ৰাঃ) য়ে বদৰ আৰু অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। অহুদৰ যুদ্ধত শ্বহীদ হৈছিল। হজৰত ওমৰ (ৰাঃ) য়ে হজৰত ছঈদৰ পুতেক আব্দুল্লাহ বিন ছঈদক আনছাৰ সকলৰ দৰেই অজিফা (পেনচন) দিয়া কৰিছিল।

আকৌ আন এজন চাহাবী আছিল হজৰত আবু ছনান বিন মহচিন (ৰাঃ)। এখেতৰ দেউতাকৰ নাম আছিল মহচিন বিন হৰছান। হজৰত আবু ছুনান বিন মহচিন হজৰত ওকাছা বিন মহচিনৰ ভায়েক আছিল। বদৰৰ যুদ্ধ, অহুদ আৰু খন্দকৰ যুদ্ধত হজৰত আবু ছুনান (ৰাঃ) য়ে অংশ গ্ৰহন কৰিছিল। এখেত বয়াতে ৰিজুয়ানত অংশ গ্ৰহন কৰিছিল। হযুৰে আক্ৰম বিন মহচিনৰ মৃত্যু হৈছিল। আঁহজৰত (ছাঃ) য়ে তেখেতক কুৰাইজাৰ কবৰ স্থানত দফন কৰিছিল।

আন এজন চাহাবী আছিল হজৰত কায়েছ বিন আল ছকিন আনছাৰী (ৰাঃ)। হজৰত কায়েছৰ দেউতাকৰ নাম আছিল ছকিন। এখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ, খন্দক আৰু বাকী সকলো যুদ্ধতেই ৰছুলে কৰিম (ছাঃ) ৰ হৈ ৰণ কৰিছিল। তেখেত (ৰাঃ) সেই চাহাবা সকলৰ অৰ্ন্তভুক্ত আছিল যি সকলে আঁহজৰত (ছাঃ) ৰ কালতেই কোৰ-আন কৰিম সংকলিত কৰিছিল। জছৰ দিৱসৰ দিনা হজৰত কায়েছ (ৰাঃ) শ্বহীদ হৈছিল। হজৰত ওমৰ (ৰাঃ) ৰ খিলাফত কালত ইৰাণী সকলৰ বিৰুদ্ধে যুদ্ধ কালীন অৱস্থাত ফুৰাত নদীৰ ওপৰত যি দলং সজোৱা হৈছিল, সেই দলং উদ্ভোধনী কৰাৰ দিনটোকেই জছৰ দিৱস বুলি জনা যায়।

ইয়াৰ পিছত উল্লেখ আছে আন এজন চাহাবী আবুল ইয়াছিৰ কাআব বিন ওমৰু। তেখেত (ৰাঃ) ৰ দেউতাকৰ নাম আছিল ওমৰু বিন ইবাদ। মাকৰ নাম আছিল নবিচা বিনতে আজহাৰ । এওঁলোকে বণু ছালমী কবিলাৰ লোক আছিল। এখেত (ৰাঃ) য়ে বয়াতে উকবাত অংশ গ্ৰহন কৰিছিল আৰু বদৰৰ যুদ্ধৰ পৰা আৰম্ভ কৰি বাকী কেইটা যুদ্ধতও অংশ লৈছিল। ছফিনৰ যুদ্ধতও হজৰত আলি (ৰাঃ) ৰ লগত যোগ দি যুদ্ধত নামিছিল। বদৰৰ যুদ্ধত এখেত (ৰাঃ) য়ে হজৰত আববাছক গ্ৰেপ্তাৰ কৰিছিল। এখেত (ৰাঃ) ৰ বিষয়ে আঁহজৰত (ছাঃ) য়ে কৈছিল যে তোমাক এই সংক্ৰান্তে এজন ক্ষমতাশালী ফিৰিস্তাই সহায় কৰিছে।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে ‘‘ছিৰাত খাতামান নাবীঈন’’ পুস্তকত লিখিছে যে আবাদা বিন অলিদ ৰোৱায়েত কৰিছে যে মই এবাৰ আঁহজৰত (ছাঃ) ৰ চাহাবী আবুল ইয়াছিৰ (ৰাঃ) ক লগ ধৰিছিলো। তেতিয়া তেখেত (ৰাঃ) ৰ সৈতে এজন গোলামও (দাস) আছিল আৰু মই দেখিছিলো যে এখন ধাৰিদাৰ চাদৰ আৰু এখন ইয়ামিনি চাদৰ তেখেত (ৰাঃ) ৰ শৰীৰত আছে আৰু তেনেকুৱাই এখন ধাৰিদাৰ চাদৰ আৰু এখন ইয়ামিনি চাদৰ সেই গোলাম জনৰ গাত আছে। মই তেখেত (ৰাঃ) ক কৈছিলো যে খুৰাদেউ আপুনি এনেকুৱা কিয় কৰা নাই যে নিজৰ সেই গোলাম জনৰ ধাৰিদাৰ চাদৰ আপুনি লৈ লোৱা নাই আৰু নিজৰ চাদৰখন তাক দিয়া নাই নাইবা ইয়ামিনি চাদৰ খন লৈ পেলাই ধাৰিদাৰ চাদৰ খন তাক দিয়া নাই। এনেকুৱা কৰিলে আপোনালোকে এযোৰ-এযোৰ চাদৰ দুয়োজনৰে হলহেঁতেন। হজৰত আবুল ইয়াছিৰ (ৰাঃ) য়ে তেতিয়া কৈছিল যে ৰছুলে আকদছ (ছাঃ)য়ে কৈছে যে নিজৰ গোলামক সেই আহাৰ (খাদ্য) খোৱাবা যি তোমালোকে নিজে খোৱা আৰু সেই বস্ত্ৰ পৰিধান কৰাবা যি তোমালোকে নিজে পৰিধান কৰা। গতিকে মই এই কথাখিনি বৰ পছন্দ কৰোঁ যে মই এই জগতত ধন-দৌলতৰ পৰা নিজৰ গোলামক সমান সমান ভাগ (অংশ) দি দিওঁ। যাতে ইয়াৰ তুলনাত কিয়ামতৰ দিনা মোৰ নেকিত যেন কোনো ধৰণৰ কম নহয়।

হজৰত আবুল ইয়াছিৰ (ৰাঃ) য়ে ৰোৱায়েত কৰিছে যে বণু হৰামৰ এজন ব্যক্তিয়ে মোৰ ঋণ পৰিশোধ কৰিব লগীয়া আছিল। এদিন মই তেওঁৰ ঘৰলৈ গৈছিলো। মই যোৱাৰ পিছত মোৰ মাত শুনি মানুহ জনে লুকাই পৰিছিল। মই আকৌ তেওঁক মাত লগালো যে ওলাই আহা, মই জানো তুমি কত আছা। তেওঁ বাহিৰলৈ ওলাই আহিছিল আৰু কৈছিল

যে “খোদা তায়লাৰ শপত” মই বৰকৈ ভয় খাইছিলো যে তোমাক মিছা মাতিম নে কোনো মিছা প্ৰতিশ্ৰুতি দিম। মই তেওঁক সুধিছিলো যে সচাঁকৈয়ে তুমি আল্লাহৰ শপত লৈ এই কথা কৈছানে ? তেওঁ উত্তৰ দিছিল হয় ! তেতিয়া মই সেই ঋণ পৰিশোধৰ লিখা পত্ৰ খন ছিঙি পেলাইছিলো। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আবুল ইয়াছিৰ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে আঁহজৰত (ছাঃ) য়ে কৈছে যে যিজনে কোনো অভাৱীক সময় সুবিধা কৰি দিয়ে নাইবা তাৰ সকলো ঋণৰ বোজা নমাই দিয়ে, আল্লাহ তায়লা তাক নিজৰ ছাঁত ঠাই দিব। মই তোমাৰ ঋণৰ বোজা গুচাই দিলো কাৰণ মই আল্লাহ তায়লাৰ ছাঁ বিচাৰো। এয়া আৰু এটা ঘটনা আল্লাহ তায়লা ভয় সম্পৰ্কে থকা উদাহৰণ ৰৈ আছে হজৰত আবুল ইয়াছিৰ (ৰাঃ) য়ে হদীছ সমুহ বৰ্ণনা কৰাৰ ক্ষেত্ৰত বৰ সাৱধানতা অৱলম্বন কৰিছিল।

হদীছ বৰ্ণনা কৰাৰ সময়ত তেখেত (ৰাঃ) ৰ অৱস্থা এনেকুৱা হৈ পৰিছিল যে নিজৰ চকু আৰু কাণত আঙুলি স্পৰ্শ কৰি কৈছে যে এই চকু দুটাই এই ঘটনা দেখিছে আৰু এই কাণ দুখনে আঁহজৰত (ছাঃ) ক এয়া ব্যাখ্যা কৰোঁতে শুনিছে। হজৰত ইয়াছিৰ (ৰাঃ) য়ে হজৰত আমিৰ মুৱাবিয়াৰ সময়ত ৫৫ হিজৰি চনত পৰলোক গমন কৰিছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এয়া আছিল তেখেত (ৰাঃ) ৰ প্ৰকৃতি আৰু আচৰিত জনক মৰ্যদা। যিজনে আমাক আল্লাহ তায়লাৰ সৈতে বিশ্বাস আৰু আনুগত্যৰ পদ্ধতি শিকাইছে। আল্লাহ তায়লাক ভয় কৰাৰ পদ্ধতিও আমাক শিকাই থৈ গৈছে। আঁহজৰত (ছাঃ) ৰ কথাবোৰ (আদেশ, নিষেধ) হৃদয়ৰ গভীৰতাৰে গ্ৰহন কৰি লৈ পূৰ্ণ ইতায়েতৰ পদ্ধতিও শিকাইছে। আল্লাহ তায়লা তেখেত সকলক মৰ্যদাৰ ক্ষেত্ৰত উন্নতৰ পৰা উন্নতৰ কৰি দিয়ক । (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 25 Janu-2019**

**(BOOK POST PRINTED MATTER)**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**